# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-10-2024
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

০০০০০০০০

ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত কালি আৰম্ভ হোৱা নৱপত্ৰিকা বিসৰ্জনৰ প্ৰক্ৰিয়া আজিও অব্যাহত আছে। গুৱাহাটী মহানগৰীত কালিৰে পৰা তিনিদিনীয়াকৈ প্ৰতিমা বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে প্ৰয়োজনীয় ব্যৱস্থা  গ্ৰহণ কৰিছে। মহানগৰীৰ কোনো কোনো অঞ্চলত কালি যথাবিহিত পৰম্পৰাৰে বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। আজিৰ দিনটোত গুৱাহাটীত ২৬৩ খন পূজা মণ্ডপৰ প্ৰতিমা বিসৰ্জন দিয়া হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

শিৱসাগৰ জিলাতো কালি বিজয়া দশমী উপলক্ষে দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হয়।  আজি নগৰখনৰ অন্য ১৮ খন প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

যোৰহাট জিলাৰ বিসৰ্জন প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ বাবে জিলাখনৰ আয়ুক্তই সকলো বিসৰ্জনস্থলী আৰু ঘাট পৰিদৰ্শন কৰিছে। জিলাখনত আজি মৃণ্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব। কাৰ্বি আংলং জিলা প্ৰশাসনেও আজি দেৱীৰ প্ৰতিমা বিসৰ্জনৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন কৰিছে। জিলাখনত আজি এই উপলক্ষে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ লক্ষ্যৰে সুৰাৰ ক্ৰয়-বিক্ৰী, মজুতকৰণ আৰু ৰাজহুৱা স্থানত সুৰাপান নিষিদ্ধ কৰা হৈছে।

তিনিচুকীয়া জিলাৰ কেইবাখনো পূজা সমিতিয়ে দেৱীৰ প্ৰতিমা বিসৰ্জন দিব। এই উপলক্ষে স্থানীয় প্ৰশাসনে প্ৰয়োজনী ব্যৱস্থা গ্ৰহণ কৰিছে।

একেদৰে বজালী জিলাৰ কেইবাখনো পূজা সমিতিয়ে আজি দেৱীৰ প্ৰতিমা বিসৰ্জনৰ পৰ্ব সমাপন কৰিব বুলি উদ্যোক্তা সমিতিসমূহে জানিবলৈ দিছে। বাক্সা জিলাতো কেইবাখনো পূজা সমিতিয়ে আজি দেৱীৰ প্ৰতিমাসমূহ নিজ নিজ স্থানত বিসৰ্জন দিয়া হ'ব বুলি উদযাপন সমিতিয়ে জানিবলৈ দিয়ে।

০০০০০

গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি পৌৰ নিগমৰ আৱণ্টিত পুজিৰে ৫০ নম্বৰ ৱাৰ্ডৰ অন্তৰ্গত জাপৰিগোগ কৃষ্ণনগৰৰ শ্ৰীশ্ৰীমহাবিষ্ণু ধৰ্ম সভাৰ প্ৰাঙ্গনত শাৰদা দেৱী সমুহীয়া ভৱনৰ শুভ উদ্বোধন কৰে। অনুষ্ঠানত ৫০ নম্বৰ ৱাৰ্ডৰ  পাৰিষদ উৎপল মহন্ত, অসম ৰাজ্যিক পৰিবহন নিগমৰ উপাধ্যক্ষ প্ৰণৱ জ্যোতি লহকৰ, পৌৰ নিগমৰ বিষয়ববীয়া প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বিজেপিৰ সদস্যভৰ্তি অভিযানৰ অধীনত ৰাজ্যখনৰ ৯২ টা বিধানসভা সমষ্টিত ৪০ হাজাৰ সদস্যভৰ্তিৰ লক্ষ্য অতিক্ৰম কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে যে, দলীয় কৰ্মীসকলৰ কঠোৰ পৰিশ্ৰমৰ বলত দলে ৯২ টা বিধানসভা সমষ্টিত ৪০ হাজাৰ সদস্যভৰ্তি অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছে। দলে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ আটাইকেইটাতে লক্ষ্য পূৰণৰ দিশে অগ্ৰসৰ হোৱা বুলিও ড০ শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০

অসম আৰু চুবুৰীয়া দেশ ভূটানৰ ভালেমান ঠাইত আজি পুৱা প্ৰায় ৭ বাজি ৪৭ মিনিটত ভুইকপৰ মৃদু জোকাৰণি অনুভুত হয়। ৰিখতাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৪ দশমিক ৬। ৰাষ্ট্ৰীয় ভুকম্প বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি এই ভূমিকম্পৰ অভিকেন্দ্ৰ ওদালগুৰিত ভূপৃষ্ঠৰ পৰা ১৫ কিলোমিটাৰ গভীৰতাত আছিল। ঢেকিয়াজুলি, বৰপেটা, গোৱালপাৰা, উত্তৰ লখিমপুৰ, যোৰহাট, তেজপুৰ, গোলাঘাট, গুৱাহাটী, নগাওঁ, ডিমাপুৰ, ইটানগৰ আদি ঠাইত এই ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ভূমিকম্পৰ ফলত এতিয়ালৈকে ধন-জন হানি হোৱাৰ কোনো বাতৰি পোৱা হোৱা নাই।

০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে ৰাজ্যৰ নামঘৰ, সত্ৰসমূহত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। মাজুলীৰ সত্ৰসমূহত তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হৈছে। গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে সত্ৰপীঠ মাজুলীত ভক্তিৰসত বুৰ গৈছে। মাজুলীৰ সকলো সত্ৰ আৰু নামঘৰত ৩-৪ দিনীয়া কাৰ্যসূচীৰে জন্মোৎসৱৰ পালন কৰা হৈছে। এই উপলক্ষে বিভিন্ন নামঘৰত বৰগীত, দিহানাম আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। শনিবাৰে পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাৰ পাছত ধৰ্মালোচনা সভাৰ লগতে নিশালৈ মাজুলীৰ প্ৰায়সংখ্যক নামঘৰত ভাওনা পৰিৱেশন কৰা হয়।

নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বিশেষকৈ বটদ্ৰৱা সত্ৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। ইপিনে, নগাঁও জিলা সত্ৰ মহাসভাৰ উদ্যোগত কলিয়াবৰৰ জখলাবন্ধা সত্ৰত গুৰুজনাৰ জন্মোৎসৱ আয়োজিত হৈছে।

০০০০০

সমাপ্ত